**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ইৰান আৰু ইজৰাইলৰ মাজৰ সংঘাত দুয়োখন দেশৰ আক্ৰমণ-প্ৰতি আক্ৰমণেৰে অব্যাহত আছে।

২। সমগ্ৰ দেশে আজি ড০ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পুণ্য তিথিত শ্ৰদ্ধা জ্ঞাপন কৰিছে।

৩। ১৯৮৫ চনত এয়াৰ ইণ্ডিয়াৰ কনিস্ক বোমা বিস্ফোৰণৰ আজি চাৰিটা দশক পূৰ্তি উপলক্ষে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে আক্ৰমণত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

৪। অসমৰ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে আজি ইয়াৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা বাৰ্ষিকী পালন কৰিছে।

আৰু

৫। হেডিংলি টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে কালি তৃতীয় দিনা সংগ্ৰহ কৰা ৯০ ৰানৰ পৰা খেল পুনৰ আৰম্ভ কৰিব।

০০০০০০০

ইৰান আৰু ইজৰাইলৰ মাজৰ সংঘাত দুয়োখন দেশৰ আক্ৰমণ-প্ৰতি আক্ৰমণেৰে অব্যাহত আছে। আমেৰিকা আৰু ইজৰাইলে ইৰানৰ ওপৰত যুটীয়া আক্ৰমণ চলোৱাৰ পাছত ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনিয়ে ইজৰাইলৰ বিৰুদ্ধে প্ৰতি আক্ৰমণ অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে ইজৰাইলে এটা ডাঙৰ ভুল কৰিলে। ইতিমধ্যে ইৰানৰ কৰ্তৃপক্ষসমূহে আমেৰিকাই প্ৰাৰম্ভিক প্ৰকল্পসমূহত আক্ৰমণ সংঘটিত কৰাৰ সবিশেষ বুজ লৈ আছে। আমেৰিকাই যুঁজাৰু বিমানেৰে ইৰানৰ পাৰমাণৱিক শক্তি প্ৰকল্প ফৰ্দো, নাতাঞ্জ্ আৰু এছফাহানত আক্ৰমণ সংঘটিত কৰাৰ পাছত ইৰানৰ সংসদে সৰ্বসন্মতভাৱে জাহাজেৰে তেল আৰু গেছ পৰিবহণ কৰা হৰমুজৰ বিশ্বৰ অন্যতম জলপথটো বন্ধ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদে এই বিষয়টো সন্দৰ্ভত এতিয়ালৈকে অনুমোদন দিয়া নাই। আন্তঃৰাষ্ট্ৰীয় বজাৰত ইতিমধ্যে তেলৰ মূল্য বৃদ্ধি হৈছে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতি বেৰেল তেলৰ বিনিময়ত ১০০ মাৰ্কিন ডলাৰলৈকে তেলৰ মূল্য বৃদ্ধি হ'ব বুলি আশংকা কৰা হৈছে। উল্লেখযোগ্য যে হৰমুজ প্ৰণালীৰ জৰিয়তে বিশ্বৰ ২০ শতাংশ তেল আৰু প্ৰাকৃতিক গেছ আন্তঃৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি কৰা হয়। ইতিমধ্যে আমেৰিকাৰ প্ৰতিৰক্ষা বাহিনীয়ে অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থা অধিক বৃদ্ধি কৰিছে। পেণ্টাগনমহলে জানিবলৈ দিছে যে বিশ্বৰ শক্তি-সুৰক্ষা আৰু আৰ্থিক সুস্থিৰতা অব্যাহত ৰখাৰ স্বাৰ্থত এই প্ৰণালীটো মুকলি কৰাৰ বাবে বিশেষ প্ৰস্তুতি চলাইছে। ইৰানৰ বৈদেশিক মন্ত্ৰী আববাছ আৰাগাচিয়ে আলোচনাৰ বাবে আজি মস্কোত উপস্থিত হৈছে। আমেৰিকাই আক্ৰমণ চলোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আৰু অন্যান্য শীৰ্ষ বিষয়াৰ সৈতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টৰিয় গুটাৰেছে নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত নিৰাপত্তা পৰিষদৰ এখন বিশেষ জৰুৰী বৈঠকত শান্তি স্থাপনৰ বাবে আহ্বান জনাইছে। আমেৰিকাই ইৰানৰ পাৰমানৱিক প্ৰকল্পসমূহত আক্ৰমণ চলোৱাৰ পাছত সংঘাতজৰ্জৰ পৰিস্থিতিৰ

তাৎক্ষণিকভাৱে অৱসান ঘটোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নিৰাপত্তা পৰিষদৰ জৰুৰী বৈঠকত ৰাছিয়া আৰু চীনে তাৎক্ষণিক আৰু নিঃচৰ্তভাৱে যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে এটা প্ৰস্তাৱ দাখিল কৰে। নিৰাপত্তা পৰিষদত ইৰানৰ প্ৰতিনিধি আমিৰ চৈয়দ ইৰাবানীয়ে কয়, যে তেহৰানে আমেৰিকাৰ আগ্ৰাসী আক্ৰমণৰ বিৰুদ্ধে প্ৰত্যুত্তৰ দিব। ৰাষ্ট্ৰসংঘৰ ইজৰাইলৰ প্ৰতিনিধি ডেনি ডেননে কয়, যে বিশ্বক সুৰক্ষিত অঞ্চল হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যেৰে আমেৰিকাই আক্ৰমণ চলাইছিল। ৰাছিয়াৰ  প্ৰতিনিধি ভাছিলি নেবেনজ্যাই প্ৰকাশ কৰে যে আমেৰিকাই কূটনীতিৰ বিষয়ত কোনোধৰণৰ আগ্ৰহ প্ৰকাশ নকৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে বৰ্তমান ইৰানৰ নেতৃত্বৰ দেশখন পুনৰ গঢ়ি তোলাৰ সামৰ্থ নাই বুলি প্ৰশ্ন উত্থাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে যদি বৰ্তমানৰ ইৰানৰ শাসনকৰ্তাৰ দেশখন গঢ়ি তোলাৰ সামৰ্থ নাই, তেতিয়া নেতৃত্বৰ পৰিৱৰ্তন হোৱা উচিত। অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰী পেনী ৱঙে আমেৰিকাই ইৰানৰ ওপৰত আক্ৰমণ চলোৱাৰ সিদ্ধান্তক সমৰ্থন জনাইছে। তেওঁ লগতে এই পৰিস্থিতিৰ অৱসান হোৱা আৰু কূটনৈতিক বাৰ্তালাপ আৰম্ভ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ooooooooo

সমগ্ৰ দেশে আজি ডং শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পুণ্য তিথিত শ্ৰদ্ধা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে ডং শ্যামাপ্ৰসাদ মুখাৰ্জীৰ অতুলনীয় সাহস আৰু দেশৰ অখণ্ডতা ৰক্ষাৰ বাবে কৰা  প্ৰয়াসক সদায় মনত ৰখা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে ৰাষ্ট্ৰ নিৰ্মাণত তেওঁ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানক সদায়ে  শ্ৰদ্ধাৰে সোঁৱৰা হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত ডং শ্যামাপ্ৰসাদ মুখাৰ্জীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পন কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰী নাড্ডাই কয়, যে সমগ্ৰ দেশতে দলৰ কৰ্মকৰ্তাই বিভিন্ন কাৰ্যসূচীৰে তেওঁৰ ৭২ সংখ্যক মৃত্যু তিথি পালন কৰিছে। ডং মুখাৰ্জীৰ অৱদানক শ্ৰদ্ধাৰে সুঁৱৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে কয়, যে স্বাধীনতা সংগ্ৰামী আৰু সমাজ সংস্কাৰক ডং শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে জম্মু-কাশ্মীৰৰ প্ৰতি বিশেষ মৰ্যাদা প্ৰদান কৰাৰ বিষয়টোৰ  বিৰোধিতা কৰিছিল। ভাৰতীয় জনসংঘৰ প্ৰতিষ্ঠাতা ডং মুখাৰ্জীৰ শ্ৰীনগৰ কাৰাগাৰত ১৯৫৩ চনৰ আজিৰ এই দিনটোতে ৰহস্যজনকভাৱে মৃত্যু ঘটিছিল।

ooooooooo

১৯৮৫ চনত এয়াৰ ইণ্ডিয়াৰ কনিস্ক নামৰ বিমানখনৰ বোমা বিস্ফোৰণত ৩২৯ গৰাকী নিৰপৰাধী যাত্ৰীৰ মৃত্যুৰ আজি চাৰিটা দশক পূৰ্ণ হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে সন্ত্ৰাসবাদীৰ এই আক্ৰমণত নিহত লোকসকলৰ প্ৰতি আজি গভীৰ শ্ৰদ্ধা নিবেদন  কৰিছে। এটা বাৰ্তাত শ্ৰী জয়শংকৰে কয়, যে এয়া আছিল সন্ত্ৰাসবাদীৰ এক অন্যতম বৰ্বৰ আক্ৰমণ। উল্লেখযোগ্য যে আজিৰ দিনটোতেই কানাডাৰ মণ্টিল চহৰৰ পৰা লণ্ডন হৈ নতুন দিল্লীলৈ যাত্ৰা কৰা এয়াৰ ইণ্ডিয়াৰ 182 বিমানখন আটলাণ্টিক মহাসাগৰৰ ওপৰত মাজ আকাশত বিস্ফোৰিত হৈছিল। কানাডাস্থিত খালিস্তানী উগ্ৰপন্থীয়ে সংঘটিত কৰা এই বৰ্বৰ আক্ৰমণত ৩২৯ গৰাকী নিৰপৰাধী যাত্ৰী মৃত্যুমুখত পৰিছিল। বিমানখনত কানাডা আৰু অন্য বহুদেশৰ লগতে অধিকাংশ যাত্ৰী ভাৰতৰ আছিল। বিমানখনত থকা ভালেসংখ্যক শিশু যাত্ৰীৰ মৃত্যুৰ বিষয়ে উল্লেখ কৰি ডং জয়শংকৰে কয়, যে সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বিৰুদ্ধে বিশ্ব সম্প্ৰদায়ে কিয় শূন্য সহনশীল নীতি গ্ৰহণ কৰিব লাগে, সেই কথা এই বৰ্বৰ ঘটনাই সোঁৱৰাই থাকে।

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীৰ নেতৃত্বত ৮জনীয়া ভাৰতীয় প্ৰতিনিধিৰ এটা দলে কনিস্ক বোমা বিস্ফোৰণত নিহত লোকসকলৰ প্ৰতি আয়াৰলেণ্ডৰ আহকিষ্টা মেম'ৰিয়েলত শ্ৰদ্ধা জ্ঞাপন কৰে। আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী মিখাইল মাৰ্টিন আৰু কানাডাৰ ৰাজহুৱা সেৱা দপ্তৰৰ মন্ত্ৰী গেৰী আনন্দসাংগেৰীয়েও নিহতসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০০০০

অসমৰ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে আজি ইয়াৰ প্ৰতিষ্ঠাৰ ৭৪ সংখ্যক দিৱস পালন কৰিছে। কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি ডিফু চহৰৰ ছাৰছিং টেৰন লাংকুং হাবে টাউন হলত পুৱা প্ৰতিষ্ঠা দিৱসৰ মূল কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'ৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্বি জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিধায়ক ৰূপচিং টেৰণ আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙো উপস্থিত আছে।

০০০০০০০০০

আঞ্চলিক সহযোগিতাৰ নিদৰ্শনস্বৰূপে ভাৰতে আম্মানৰ পৰা নতুন দিল্লীলৈ চলাচল কৰা বিমানত ইজৰাইলৰ পৰা ঘৰলৈ উভতি আহিব বিচৰা শ্ৰীলংকাৰ নাগৰিকৰ বাবেও আসনৰ ব্যৱস্থা কৰিছে। ইজৰাইলত অৱস্থিত শ্ৰীলংকাৰ দূতাবাসে এই কথা সদৰি কৰিছে। তেল আভিভৰ পৰা আম্মানলৈ যাত্ৰীসকল অহাৰ বাবে বিনামূলীয়া পৰিবহণৰ ব্যৱস্থাৰ লগতে দিল্লীলৈ বিমানৰ ব্যৱস্থা কৰা হৈছে। নতুন দিল্লীৰ পৰা কলম্বোলৈ যোৱা বিমানৰ ব্যৱস্থা নিজে কৰিব লাগিব। ইয়াৰ বাবে ইজৰাইলত থকা শ্ৰীলংকাৰ দূতাবাসত আজি আৰু কাইলৈ পঞ্জীয়ন মুকলি ৰখা হৈছে। ইজৰাইলত থকা শ্ৰীলংকাৰ ৰাষ্ট্ৰদূত নিমল বান্দাৰাই শ্ৰীলংকাৰ নাগৰিকসকলক সাম্প্ৰতিক যুদ্ধৰ পৰিপ্ৰেক্ষিতত ইজৰাইল চৰকাৰে জাৰি কৰা সুৰক্ষা সম্পৰ্কীয় নীতি-নিৰ্দেশনাসমূহ মানি চলিবলৈ অনুৰোধ কৰিছে। শ্ৰীলংকাৰ ৰাষ্ট্ৰদূতগৰাকীয়ে ইজৰাইলী বাহিনীৰ লগত আমেৰিকান বাহিনীয়েও সন্মিলিত আক্ৰমণ চলোৱাৰ পৰিপ্ৰেক্ষিতত ইৰান অধিক আক্ৰমণাত্মক হোৱাৰ আশংকা প্ৰকাশ  কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে অপাৰেচন সিন্ধুৰ জৰিয়তে শ্ৰীলংকা আৰু নেপালৰ নাগৰিকসকলক ইজৰাইলৰ পৰা ঘৰলৈ উভতি অহাৰ ক্ষেত্ৰত সহায়-সমৰ্থন আগবঢ়াই আহিছে। এই পদক্ষেপে দুৰ্যোগৰ সময়ত আঞ্চলিক সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰতিপন্ন কৰিছে।

০০০০০০০০০

হেডিংলি টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে কালি তৃতীয় দিনা সংগ্ৰহ কৰা ৯০ ৰানৰ পৰা খেল পুনৰ আৰম্ভ কৰিব। কালি দিনান্তত কে এল ৰাহুলে ৪৭ ৰান আৰু অধিনায়ক শুভমন গীলে ৬ ৰান কৰি বেট ধৰি আছিল। ইয়াৰ পূৰ্বে ইংলেণ্ডে ভাৰতৰ প্ৰথম ইনিংছৰ ৪৭১ ৰানৰ প্ৰত্যুত্তৰত আটাইকেইটা উইকেট হেৰুৱাই ৪৬৫ ৰান সংগ্ৰহ কৰে। ফলত ভাৰতে খেলখনত প্ৰথম ইনিংছত মাত্ৰ ৬ ৰানৰ অগ্ৰগতি লাভ কৰে। বৰষুণৰ বাবে কালিৰ খেল কিছুসময়ৰ পূৰ্বে সামৰিবলগীয়া হৈছিল।

০০০০০০

**সমাপ্ত**